**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-07-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

ন্যায়াধীশ আশুতোষ কুমাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰিছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি পুৱা গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ন্যায়াধীশগৰাকীক পদ আৰু গোপনীয়তাৰক্ষাৰ শপত বাক্য পাঠ কৰোৱায়। ন্যায়াধীশ আশুতোষ কুমাৰ ইয়াৰ পূৰ্বে পাটনা উচ্চ ন্যায়ালয়ৰ কাৰ্যবাহী মুখ্য ন্যায়াধীশ হিচাপে কৰ্মৰত আছিল। শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ, অধিবক্তা আৰু জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ইপিনে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাৰ্যবাহী ন্যায়াধীশ লানুচুংকুম জমিৰক কলকাতা উচ্চ ন্যায়ালয়লৈ আৰু ন্যায়াধীশ সুমন শ্যামক বোম্বে উচ্চ ন্যায়ালয়লৈ বদলি কৰা হৈছে।

০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত চীনৰ বান্ধ নিৰ্মাণ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব। কেন্দ্ৰীয় চৰকাৰে চীন কৰ্তৃপক্ষৰ সৈতে বিষয়টো লৈ আলোচনা কৰিছে বা কৰিব বুলি মুখ্যমন্ত্ৰী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীত পিয়াৰলেছৰ এখন চিকিৎসালয় উদ্বোধন কৰাৰ অন্তত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয়, যে ব্ৰহ্মপুত্ৰৰ ওপৰত বান নিৰ্মাণৰ ফলত অসমত কিদৰে প্ৰভাব পৰিব সেই বিষয়ে এতিয়াই ক'ব পৰা নাযায়। বিষয়টোলৈ বিশেষজ্ঞসকলৰ দুই ধৰণৰ মত আছে বুলি তেওঁ মন্তব্য কৰে। ব্ৰহ্মপুত্ৰৰ অধিকাংশ পানী অৰুণাচল প্ৰদেশ, ভূটান, বৰষুণ বা অন্য উৎসৰ পৰা অহা বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে একাংশ বিশেষজ্ঞৰ মতে বান্ধ নিৰ্মাণৰ ফলত ব্ৰহ্মপুত্ৰৰ পানী কমিব– ৰাজ্যৰ বান সমস্যা হ্ৰাস পাব আৰু আন একাংশ বিশেষজ্ঞৰ মতে ইয়াৰ ফলত খৰালি ব্ৰহ্মপুত্ৰৰ পানী শুকাই যাব আৰু ৰাজ্যখনৰ জৈব বৈচিত্ৰ্য প্ৰভাবিত হ'ব।

০০০০

সংসদৰ বৰ্ষাকালীন অধিৱেশন আৰম্ভ হৈছে। ২১ আগষ্টলৈ চলিবলগীয়া এই অধিৱেশনৰ কালছোৱাত উভয় সদনৰ মুঠ ২১ খন বৈঠক অনুষ্ঠিত হ'ব।

সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে কালি নতুন দিল্লীৰ সংসদ ভৱনত ৰাজ্যসভাৰ নেতা জগত প্ৰকাশ নাড্ডাৰ সভাপতিত্বত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিৰোধী পক্ষৰ সদস্যসকলে অপাৰেচন সিন্দূৰ সন্দৰ্ভত চৰকাৰ আৰু বিশেষকৈ সদনৰ নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদনত বিবৃতি দিব লাগে বুলি প্ৰস্তাৱ আগবঢ়ায়। ইয়াৰ লগতে বিহাৰত ভোটাৰ তালিকাৰ সংশোধনী সন্দৰ্ভত চৰকাৰৰ বক্তব্যও এইবাৰৰ অধিৱেশনত দাঙি ধৰিবলৈ আহ্বান জনায়। বিৰোধী দলৰ কেইবাগৰাকীও নেতাই অপাৰেচন সিন্দূৰৰ সময়ত ভাৰত আৰু পাকিস্তানৰ সংঘৰ্ষ বিৰোধী ক্ষেত্ৰত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কৰা দাবী সন্দৰ্ভত চৰকাৰে সদনত এটা বিবৃতি দিবলৈ আহ্বান জনায়।

বিভিন্ন ৰাজনৈতিক দলৰ নেতাই এই বৈঠকত অংশগ্ৰহণ কৰে। অনুষ্ঠিত এই বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড° এল মুৰুগানে বৈঠকত উপস্থিত থাকে। তদুপৰি কংগ্ৰেছ দলৰ গৌৰৱ গগৈ আৰু প্ৰমোদ তিৱাৰী, এন চি পি-এছ্ চি পিৰ সুপ্ৰিয়া চুলে, ডি এম কেৰ তিৰুচি শিৱা আৰু টি আৰ বালু আৰু সমাজবাদী পাৰ্টীৰ ৰাম গোপাল যাদৱ, আপৰ নেতা সঞ্জয় সিং বৈঠকত উপস্থিত থাকে।

০০০০

স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আজি অসম সচিবালয়ত অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ, কাৰিকৰী বিভাগ আৰু অ-কাৰিকৰী বিভাগৰ সহকাৰী অধ্যাপককে ধৰি মুঠ ৬১ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক লগতে অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অধ্যক্ষ পদত দুগৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়।

০০০০

ছিপাঝাৰৰ গৰুখুটি বহুমুখী কৃষি প্ৰকল্পৰ চতুৰ্থ বৰ্ষপূৰ্তি আজি উদযাপন কৰা হৈছে। ২০২১ চনত গৰুখুটিত চৰকাৰৰ এই বহুমুখী কৃষি প্ৰকল্প আৰম্ভ কৰা হৈছিল। চতুৰ্থ বৰ্ষপূৰ্তি উপলক্ষে বহুমুখী কৃষি প্ৰকল্প সমিতিৰ উদ্যোগত বন্তি প্ৰজ্বলন, পতাকা উত্তোলন, ভূমি পূজন, গছপুলি ৰোপণ, নৱনিৰ্মিত ভাগৱত নামঘৰ, ৰংগমঞ্চ আৰু পশুপালন গৃহ উদ্বোধন কৰা হ'ব। বৰ্ষপূৰ্তি অনুষ্ঠানৰ মুকলি সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, গৰুখুটি বহুমুখী কৃষি প্ৰকল্প সমিতিৰ অধ্যক্ষ তথা চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, দৰং জিলা আয়ুক্তকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................